**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব।
২। লোকসভাৰ কাৰ্যক্ৰমণিকা অহা ৯ মাৰ্চলৈ স্থগিত ঘোষণা কৰা হৈছে।
৩। বাংলাদেশ নেচনেলিষ্ট পাৰ্টী চমুকৈ বি এন পিয়ে দেশখনত পৰৱৰ্তী চৰকাৰ গঠন কৰাটো নিশ্চিত হৈছে।
৪। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ অন্তৰৰ্তী বাণিজ্য চুক্তিক কৃষি খণ্ডই আদৰণি জনাইছে।

আৰু

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত জিম্বাব'ৱে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৭০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত ৫ হাজাৰ ৪৫০ কোটি টকাৰো অধিক ধন ব্যয়সাপেক্ষ ভালেমান প্ৰকল্প উদ্বোধন কৰিব। শ্ৰীমোদীয়ে প্ৰথমে ডিব্ৰুগড় জিলাৰ মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কাইলৈ ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণ কৌশল প্ৰদৰ্শন কৰিব। কাইলৈ মৰাণ বাইপাছত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। কাইলৈ লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ

মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিবলগীয়া এই উন্নয়নমূলক প্ৰকল্পসমূহ যোগাযোগ, ডিজিটেল আন্তঃগাঁথনি শক্তিশালী কৰাৰ উপৰি উচ্চ শিক্ষাৰ প্ৰসাৰ তথা ৰাজহুৱা যাতায়াত ব্যৱস্থাৰ উন্নয়নৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চল খণ্ডৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হ'ব বুলি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় ৰাজধানীত সেৱা তীৰ্থ ভৱন চৌহদৰ নামফলক মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে সেৱা তীৰ্থ আৰু কৰ্তব্য ভৱন এক আৰু দুই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। তেওঁ লগতে সেৱা তীৰ্থত বিয়লি এটা ৰাজহুৱা কাৰ্যসূচীত ভাগ ল'ব। এই ভৱন কেইটাক দেশৰ প্ৰশাসনিক ব্যৱস্থাত গুৰুত্বপূৰ্ণ ৰূপান্তৰৰ প্ৰতীক হিচাপে ধৰা হৈছে। তদুপৰি, ই আধুনিক, কাৰ্যক্ষম, সুলভ আৰু নাগৰিক কেন্দ্ৰীক প্ৰশাসনিক পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে। সেৱা তীৰ্থত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদ সচিবালয় আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সচিবালয় আছে। পূৰ্বে এই সকলোবোৰ পৃথক স্থান আছিল। একেদৰে, কৰ্তব্য ভৱন এক আৰু দুই-ত বিত্ত মন্ত্ৰালয়, প্ৰতিৰক্ষা মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, শিক্ষা মন্ত্ৰালয় আৰু তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়কে ধৰি গুৰুত্বপূৰ্ণ মন্ত্ৰালয়সমূহ আছে।

০০০০০০০০০

লোকসভাৰ কাৰ্যক্ৰমণিকা অহা ৯ মাৰ্চলৈ স্থগিত ঘোষণা কৰা হৈছে। প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কেইবাগৰাকীও মন্ত্ৰীয়ে নিজ নিজ মন্ত্ৰালয়ৰ সৈতে সম্পৰ্কিত নথিপত্ৰ সদনত দাখিল কৰে। ইয়াৰ পাছতেই সদন পৰিচালনাৰ দায়িত্বত থকা বিষয়া সন্ধ্যা ৰায়ে সদন স্থগিত ঘোষণা কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা বিষয়া সন্ধ্যা ৰায়ে সদ্যপ্ৰয়াত প্ৰাক্তন সাংসদ ভগৱান দাস ৰাথোড়ৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। প্ৰয়াত সাংসদগৰাকীৰ আত্মাৰ শান্তি কামনাৰে সদনৰ সদস্যসকলে কিছু সময় মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছত সদনৰ প্ৰশ্ন কালত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কোডেইন থকা কফচিৰাপ সেৱনৰ ফলত মৃত্যু হোৱা সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰে। কিন্তু বিৰোধী পক্ষৰ হুলস্থূলৰ বাবে তেওঁ প্ৰশ্নটোৰ উত্তৰ সম্পূৰ্ণৰূপে দিব নোৱাৰে। কংগ্ৰেছ, টি এম চি আৰু ডি এম কেকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে সদনৰ মজিয়ালৈ উঠি আহি শ্লোগান দিবলৈ আৰম্ভ কৰে। শ্ৰীমতী ৰায়ে সদস্যসকলক সদনৰ কাম-কাজ পৰিচালনাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায় যদিও একে পৰিস্থিতি বাহাল থকাত লোকসভাৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়।

আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে বাজেট অধিবেশনৰ প্ৰথম পৰ্যায় যোৱা ২৮ জানুৱাৰীত সংসদৰ যুটীয়া সদনক উদ্দেশ্যি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণেৰে আৰম্ভ হৈছিল। বাজেট অধিবেশনৰ দ্বিতীয় পৰ্যায় অহা ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ অনুষ্ঠিত হ'ব।

০০০০০০০০০

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ অন্তৰৱৰ্তী বাণিজ্য চুক্তিক কৃষি খণ্ডই আদৰণি জনাইছে। নেচনেল কম'ডিটী এণ্ড ডিৰাইভেটিভছ এক্সচেঞ্জ লিমিটেড চমুকৈ এন চি ডি ই এক্সৰ পৰিচালন সঞ্চালক

ড০ অৰুণ ৰাষ্টেই আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা এটা আচুতীয়া সাক্ষাৎকাৰত এই বিষয়ে প্ৰকাশ কৰে। সঞ্চালকগৰাকীয়ে কয় যে ক্ষুদ্ৰ কৃষকসকলৰ স্বাৰ্থ সুৰক্ষিত ৰখাৰ প্ৰতি লক্ষ্য ৰাখি ঘেঁহু, ধান, দুগ্ধজাত সামগ্ৰী আৰু হাঁহ-কুকুৰাকে ধৰি অন্যান্য কৃষিজাত সামগ্ৰীসমূহ এই চুক্তিৰ পৰা বাহিৰত ৰখা হৈছে। তেওঁ লগতে মুঠ ৰপ্তানিৰ ক্ষেত্ৰত বিশেষ লাভ হিচাপে ১৮ শতাংশ শুল্কৰ বিষয়ে প্ৰকাশ কৰি কয় যে ইয়াৰ ফলত ভাৰতীয় ৰপ্তানিকাৰীসকল উপকৃত হ'ব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে এই অন্তৰৰ্তী বাণিজ্য চুক্তিখন ৰপ্তানিকাৰী, ক্ষুদ্ৰ উদ্যোগ আৰু কৃষকসকলৰ বাবে বিশেষভাৱে গুৰুত্বপূৰ্ণ হ'ব বুলি পৰিচালন সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

বাংলাদেশ নেচনেলিষ্ট পাৰ্টী চমুকৈ বি এন পিয়ে দেশখনত পৰৱৰ্তী চৰকাৰ গঠন কৰাটো নিশ্চিত হৈছে। দেশখনৰ ত্ৰয়োদশ সংসদীয় নিৰ্বাচনৰ ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি বি এন পি আৰু মিত্ৰজোঁটে ২৮৪টা সমষ্টিৰ ভিতৰত ২০৮টাত অগ্ৰগতি লাভ কৰিছে। প্ৰায় দুই দশক ক্ষমতাৰ পৰা আঁতৰি থকা পাছত তাৰিক ৰহমান নেতৃত্বাধীন বি এন পিয়ে চৰকাৰ গঠন কৰাটো নিশ্চিত হৈছে। জ্যেষ্ঠ নেতা ৰহমান আৰু সাধাৰণ সচিব মিৰ্জা ফখৰুল ইছলাম আলমগিৰে নিজ নিজ সমষ্টিত জয়লাভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিশ্চিত জয়ৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে বি এন পিৰ নেতাগৰাকীক অভিনন্দন জনাইছে। তেওঁ কয় যে এই জয়ে তাৰিক ৰহমানৰ নেতৃত্বৰ প্ৰতি বাংলাদেশৰ জনসাধাৰণৰ আস্থা প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে ভাৰতে এখন গণতান্ত্ৰিক আৰু সমৃদ্ধিশালী বাংলাদেশৰ প্ৰতি নিৰন্তৰ সমৰ্থন আগবঢ়াই যাব বুলি দোহাৰে। দেশখনৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে এই সাধাৰণ নিৰ্বাচনত ৫৯ দশমিক ৪-৪ শতাংশ লোকে ভোটদান কৰে।

ইপিনে, সংসদীয় নিৰ্বাচনৰ সমান্তৰালভাৱে কালি সাংবিধানিক আৰু প্ৰতিষ্ঠানগত সংস্কাৰ সন্দৰ্ভত অনুষ্ঠিত গণভোটত দেশখনৰ জনসাধাৰণে ২০২৪ চনৰ জুলাইত হোৱা গণ অভ্যুত্থানৰ পাছত জাৰি কৰা জুলাই ঘোষণা পত্ৰৰ প্ৰতি বিপুলভাৱে সমৰ্থন আগবঢ়াইছে।

০০০০০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কানহু চৰণ লেংকাৰ আজি ভূৱনেশ্বৰত মৃত্যু হয়। কিছুদিন ধৰি অসুস্থ হৈ থকা লেংকাৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৬ বছৰ। প্ৰয়াত কানহু চৰণ লেংকা কেন্দ্ৰীয় কৃষি ৰাজ্যমন্ত্ৰী হিচাপে সেৱা আগবঢ়োৱাৰ লগতে পৰৱৰ্তী সময়ত পি ভি নৰসিংহ ৰাওৰ চৰকাৰৰ ৰে'ল মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। ১৯৮৮ চনৰ পৰা ১৯৯৪ চনলৈ তেওঁ ৰাজ্যসভাত ওড়িশাক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ চৌদাৰ সমষ্টিৰ পৰা ওড়িশা বিধানসভালৈ চাৰিবাৰকৈ নিৰ্বাচিত হৈছিল আৰু ওড়িশা কংগ্ৰেছ কমিটীৰ সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। তেওঁৰ মৃত্যুত ভালেসংখ্যক নেতাই শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। কানহু চৰণ লেংকাৰ মৃত্যুৰ লগে লগে ওড়িশাৰ ৰাজনীতিৰ এটা অধ্যায়ৰ অন্ত পৰিল।

০০০০০০০০০

আজি বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল বিষয়বস্তু হৈছে- কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ'। বিশ্ব ৰেডিঅ' দিৱসত এইবছৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ফলত অনাতাঁৰ প্ৰচাৰণৰ ক্ষেত্ৰত আহি পৰা সুবিধা আৰু প্ৰত্যাহবান সন্দৰ্ভত গুৰুত্ব দিয়া হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে অনাতাঁৰ মাধ্যমৰ সৈতে

জড়িত সকলোৰে প্ৰচেষ্টাক স্বীকৃতি দিয়াৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। তেওঁ কয় যে বিশ্ব ৰেডিঅ' দিৱসত এনে এটা মাধ্যমক উদযাপন কৰা হয় যিয়ে অতি ভিতৰুৱা গাঁও অথবা চহৰৰ জনসাধাৰণৰ বিশ্বাসযোগ্য কণ্ঠ হিচাপে সেৱা আগবঢ়াই আহিছে।

ooooooooo

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত জিম্বাব'ৱে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৭০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। জিম্বাবুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ২ উইকেটৰ বিনিময়ত ১৬৯ ৰাণ সংগ্ৰহ কৰে। আমালৈ বাতৰি অহাৰ পৰলৈ অষ্ট্ৰেলিয়াই ৯ অ'ভাৰত ৪টা উইকেট হেৰুৱাই ৬২ ৰান সংগ্ৰহ কৰিছে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া গ্ৰুপ-ডিৰ এখন খেলত কানাডা আৰু ইউ এ ই মুখামুখি হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আজিৰ তৃতীয়খন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ, নেডাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ooooooooo

সমাপ্ত